# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে জাৰি কৰা নিৰ্দেশ অনুসৰি বৰাক নদীৰ ওপৰত থকা দলংখনত অত্যাৱশ্যকীয় মেৰামতিৰ বাবে ৬০ দিনলৈ সকলো ধৰণৰ যাতায়াত বন্ধ থাকিব। আজিৰে পৰা ২০ জুলাই পৰ্যন্ত মেৰামতি, দীৰ্ঘম্যাদী সুৰক্ষা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিকল্প পথ হিচাপে যানবাহনৰ বাবে ৰাণীফেৰা হৈ শিলচৰ কালাইন পথ মুকলি কৰা হৈছে। অৱশ্যে এই পথেৰে ৪০ টনতকৈ অধিক ওজনৰ মালবাহী যান-বাহন চলাচলত বাধা আৰোপ কৰা হৈছে। বহুলোকে বিকল্প ব্যৱস্থা হিচাপে কাটিগড়ৰ পৰা বদৰপুৰলৈ নাৱৰে বৰাক নৈ পাৰ হৈছে। কাটিগড়ৰ পৰা বদৰপুৰ সংযোগী এই দলংখনে বৰাক উপত্যকাৰ জনসাধাৰণৰ লগতে ত্ৰিপুৰা আৰু মিজোৰামৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

ooooo

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক কাইলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি নগাওঁত এখন সংবাদমেলযোগে এই  বিষয়ে প্ৰকাশ কৰে। পৰহিলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

ooooo

সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্যৰ দুৰ্যোগ প্ৰশমন বিভাগ সাজু হৈছে বুলি দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইতিমধ্যে এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু জিলা আয়ুক্তসকলক ইয়াৰ বাবে যাৱতীয় নিৰ্দেশ দিয়া হৈছে। বানৰ সময়ত যোগাযোগৰ বাবে নিয়ন্ত্ৰণ কক্ষ মুকলি কৰাৰ লগতে জিলা আৰু ৰাজ্যিক পৰ্যায়ত প্ৰাৰম্ভিক কাম-কাজসমূহৰ বাবেও ইতিমধ্যে আলোচনা হৈছে। বানৰ বাবে সৃষ্টি হ'ব পৰা যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৩৫ খন জিলা আৰু ২৯ খন

উপ-জিলাৰ বাবে ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থা বিভাগে আগতীয়াকৈ ১০০ কোটি টকা মোকলাই দিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় সাহিত্যিক তথা কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। গল্পকাৰগৰাকীৰ কানাড়া ভাষাৰ গল্প সংকলনৰ ইংৰাজী অনুবাদ হাৰ্ট লেম্পলৈ এই বঁটা আগবঢ়োৱা হৈছে। কন্নড় গল্প সংকলনখন ইংৰাজীলৈ অনুবাদ কৰা দীপা বস্তিকো বিশিষ্ট গল্পকাৰগৰাকীৰ সৈতে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বানু মোস্তাক এই বঁটা লাভ কৰা প্ৰথমগৰাকীৰ কন্নড় সাহিত্যিক হিচাপে পৰিগণিত হৈছে। কালি লণ্ডনত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। ১২টা গল্পৰ সংকলনখনত গল্পকাৰগৰাকীয়ে বিগত ৩০ বছৰত ৰচনা কৰা গল্পসমূহ সন্নিৱিষ্ট কৰা হৈছে। কৰ্ণাটকৰ ইছলাম ধৰ্মাৱলম্বী মহিলাৰ জীৱনশৈলীক উপজীব্য হিচাপে লৈ সৰহ সংখ্যক গল্প ৰচনা কৰা হৈছে। গল্প সংকলনখনে বিশ্বৰ ভিন্ন প্ৰান্তৰ আন পাঁচগৰাকী খ্যাতনামা সাহিত্যিকৰ ৰচনাৰ অনুমোদিত তালিকাৰ পৰা বাছনি লাভ কৰি এই বঁটা লাভ কৰে। ইপিনে, ইংৰাজী অনুবাদৰ বাবে বুকাৰ বঁটা লাভ কৰা দীপা বস্তি প্ৰথমগৰাকী ভাৰতীয় অনুবাদক হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ ২০২২ চনত ভাৰতীয় সাহিত্যিক গীতাঞ্জলি শ্ৰী আৰু ইংৰাজী অনুবাদক ডেইজি ৰকৱেলে টম্ব অব চেণ্ডৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। ১৯৯৭ চনত অৰুন্ধতী ৰয়ে গড অব স্মল থিংছ নামৰ গ্ৰন্থৰ বাবে প্ৰথমগৰাকী ভাৰতীয় হিচাপে বুকাৰ বঁটা লাভ কৰিছিল। ২০২৬ চনত কিৰণ দেশাইয়ে ইনহেৰিটেন্‌ছ অব লছ গ্ৰন্থৰ বাবে আৰু ২০০৮ চনত অৰবিন্দ আদিগাই দ্য হোৱাইট টাইগাৰ নামৰ গ্ৰন্থখনৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। একেদৰে ভাৰতীয় মূলৰ প্ৰথমগৰাকী সাহিত্যিক হিচাপে ১৯৯৩ চনত মিডনাইট চিল্ড্ৰেণ নামৰ গ্ৰন্থৰ বাবে ভি এছ নাইপলে এই বঁটা লাভ কৰিছিল।

০০০০০

অনলাইন ট্ৰেডিঙৰ নামত বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অভিনেত্ৰী চুমি বৰাৰ জামিন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰে। ডিব্ৰুগড়ৰ বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰত অভিনেত্ৰীগৰাকীয়ে জামিন লাভ কৰে। প্ৰায় ৮ মাহ ধৰি অভিনেত্ৰীগৰাকী কাৰাগাৰত আছিল। অৱশ্যে জামিন লাভ কৰিলেও কাইলৈহে চুমি বৰাই কাৰাগাৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অনুৰূপ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তাৰ্কিক বৰাই ইতিপূৰ্বে জামিন লাভ কৰিছে।

০০০০০

সমাপ্ত